GAS S4 01

Exam Code: ASM4A / ASE4A / ASP4A

ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান

চতুর্থ ষাণ্মাসিক

অসমীয়া

খণ্ড - ১



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্রাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
১, ৩	ড° বর্ণালী দাস ড° সর্বপল্লী ৰাধাকৃষ্ণণ অকাডেমী
২, ৮	ড° মিলন নেওগ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
৫, ৬, ৭	ড° জোনমণি গগৈ গুৱাহাটী
৪	ড° দীপকজ্যোতি মহন্ত গোৰেশ্বৰ মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	ড° স্মৃতিৰেখা ভূঞা, গুৱাহাটী মহাবিদ্যালয়
গাঁথনিক সম্পাদনা	ঃ	ড° মৃণাল জ্যোতি গোস্বামী
আর্হি কাকত	ঃ	ড° জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ নভেম্বৰ, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ভাষাৰ বৰ্গীকৰণ** **৭-১৬**

ভাষাৰ বৰ্গীকৰণ ঃ বংশানুক্রমিক বা ঐতিহাসিক বৰ্গীকৰণ, আকৃতিমূলক বা বাক্যৰীতিগত ৰূপতত্ত্বানুগত বৰ্গীকৰণ

অধ্যায় ২ ঃ **পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ চমু পৰিচয়** **১৭-৩৫**

পৃথিৱীৰ ভাষা-পৰিয়াল ঃ ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী, ছেমীয়-হামীয় ভাষাগোষ্ঠী, তিব্বত-চীনীয় ভাষাগোষ্ঠী, অষ্ট্রিক ভাষাগোষ্ঠী, দ্রাবিড় ভাষাগোষ্ঠী, ইউৰাল-আলটাই ভাষাগোষ্ঠী, ককেছীয় ভাষাগোষ্ঠী, এস্কিমো; গোষ্ঠী বা পৰিয়াল বহির্ভূত ভাষা

অধ্যায় ৩ ঃ **ভাষাৰ লক্ষণ আৰু প্রকৃতি** **৩৬-৪৪**

ভাষাৰ লক্ষণ আৰু প্রকৃতি; জাতি-সমাজ আৰু সংস্কৃতিৰ লগত ভাষাৰ সম্পর্ক

অধ্যায় ৪ ঃ **ভাষা-বিজ্ঞান চর্চাৰ ইতিহাস** **৪৫-৬৩**

ভাষা-বিজ্ঞান চর্চা ঃ প্রাচীন যুগ, মধ্যযুগ, নৱজাগৰণৰ যুগ, আধুনিক যুগ

অধ্যায় ৫ ঃ **ভাষাৰ বিভিন্ন ৰূপ** **৬৪-৭২**

ভাষাৰ বিভিন্ন ৰূপ

অধ্যায় ৬ ঃ **ভাষাৰ পৰিৱর্তন — ১** **৭৩-৮৪**

ভাষাৰ পৰিৱর্তন; ভাষাৰ পৰিৱর্তনৰ কাৰণ; ভাষাৰ পৰিৱর্তনৰ বিভিন্ন প্রকাৰ ঃ ভাষাৰ বাহ্যিক পৰিৱর্তন

অধ্যায় ৭ ঃ **ভাষাৰ পৰিৱর্তন — ২** **৮৫ -৯৬**

ভাষাৰ আভ্যন্তৰীণ পৰিৱর্তন

অধ্যায় ৮ ঃ **ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্রশাখা** **৯৭ -১১১**

ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্রশাখা; অধ্যয়নৰ বিষয় আৰু প্রকৃতি অনুসৰি ভাষা-বিজ্ঞানৰ বিভাজন ঃ বর্ণনাত্মক ভাষা-বিজ্ঞান, ঐতিহাসিক ভাষা-বিজ্ঞান, তুলনামূলক ভাষা-বিজ্ঞান; ভাষা-চিন্তাৰ প্রায়োগিক আৰু ব্যৱহাৰিক দিশ অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা

পাঠ্যবিষয়ৰ পৰিচয় ঃ ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান

এই পাঠ্যবিষয়টি ঐচ্ছিক আৰু প্ৰধান অসমীয়াৰ চতুৰ্থ পাঠ্যবিষয় হিচাপে প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়টিত ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। পাঠ্যবিষয়খন অধ্যয়ন কৰি আপুনি ভাষা-বিজ্ঞানৰ লগত সম্পৰ্কিত বিভিন্ন দিশ সম্পৰ্কে গভীৰ ধাৰণা লাভ কৰিব।

আমি সকলোৱেই জানো যে জীৱশ্ৰেষ্ঠ মানুহৰ মূল সম্পদ হৈছে ভাষা। সামাজিক প্ৰাণী হিচাপে মানুহ চিন্তা-ভাৱনা কৰিব পৰা শক্তিৰ অধিকাৰী আৰু এজনে আনজনৰ লগত ভাব বিনিময় কৰোঁতে যি মাধ্যমৰ ব্যৱহাৰ কৰে তাকেই ভাষা বুলি অভিহিত কৰা হয়। সম্প্ৰতি পৃথিৱীত প্ৰায় ৬,৫০০ মান ভাষাৰ প্ৰচলন আছে। এই ভাষাসমূহক বিভিন্ন বৈশিষ্ট্য তথা বিশেষত্বৰ আধাৰত শ্ৰেণীভুক্ত কৰি আলোচনা কৰা হয়। উদাহৰণস্বৰূপে আমি অসমীয়া ভাষাটোৰেই কথা ক'ব পাৰোঁ। ইতিমধ্যে আপুনি অধ্যয়ন কৰি আহিছে যে অসমীয়া ভাষা 'ইণ্ডো-ইউৰোপীয় ভাষা' পৰিয়ালৰ অন্তৰ্ভুক্ত। এই পাঠ্যবিষয়খনত ভাষাৰ বৰ্গীকৰণ কেনেদৰে কৰা যায়, পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়াল, ভাষাৰ লক্ষণ আৰু প্ৰকৃতি, ভাষাৰ বিভিন্ন ৰূপ, ভাষাৰ বিভিন্ন পৰিৱৰ্তন, ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। ভাষা-বিজ্ঞান অধ্যয়নৰ বিভিন্ন স্তৰ সম্পৰ্কেও বহলাই আলোচনা দাঙি ধৰি সমগ্ৰ পৃথিৱীত ভাষা-বিজ্ঞান চৰ্চাৰ আৰম্ভ কেনেদৰে হৈছিল আৰু বৰ্তমান ইয়াৰ স্থিতি কেনে সেই বিষয়েও আলোচনা দাঙি ধৰা হৈছে।

এই গোটেইকেইটা বিষয়বস্তু সৰ্বমুঠ পোন্ধৰটা অধ্যায়ত সজোৱা হৈছে। আলোচনাৰ সুবিধাৰ্থে এই পাঠ্যবিষয়ক মুঠ দুটা খণ্ডত ভাগ কৰা হৈছে; প্ৰথম খণ্ডত আঠটা অধ্যায় আৰু দ্বিতীয়টো খণ্ডত সাতটা অধ্যায় থাকিব।

খণ্ড পৰিচয় ঃ খণ্ড - ১

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে এই পাঠ্যবিষয়টিক সৰ্বমুঠ দুটা খণ্ডত বিভাজন কৰি লোৱা হৈছে আৰু প্ৰথম খণ্ডটোতো আঠটা অধ্যায় আছে। ইয়াৰে প্ৰথমটো অধ্যায়ত ভাষা মানে কি সেই বিষয়ে চমুকৈ আলোচনা কৰি ভাষাক কেনেদৰে বৰ্গীকৰণ কৰিব পাৰি, তাৰ শ্ৰেণীবিভাজন সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। ইতিমধ্যে আপুনি জ্ঞাত যে পৃথিৱীত প্ৰচলিত ভাষাসমূহক কেইবাটাও ভাষা-পৰিয়ালত অন্তৰ্ভুক্ত কৰি আলোচনা কৰা হয়। পূৰ্বৱৰ্তী যাণ্মাসিকত এই বিষয়ে কিছু কথা অধ্যয়ন কৰি আহিছে যদিও এই পাঠ্যবিষয়খনৰ দ্বিতীয়টো অধ্যায়ত সেয়া পুনৰুক্তি কৰা হ'ল আপোনাৰ অধ্যয়ন অধিক বিস্তৃত কৰাৰ বাবে।

তৃতীয়টো অধ্যায়ৰ শিৰোনাম হৈছে — ভাষাৰ লক্ষণ আৰু প্ৰকৃতি। অধ্যায়টোত ভাষাৰ লক্ষণ আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা আলোচনা দাঙি ধৰি জাতি-সমাজ আৰু সংস্কৃতিৰ লগত ভাষাৰ সম্পৰ্ক কি সেয়া বিশ্লেষণ কৰা গৈছে । ভাষা-বিজ্ঞান চৰ্চাৰ ইতিহাস— শীৰ্ষক চতুৰ্থটো অধ্যায়ত পৃথিৱীৰ বিভিন্ন ঠাইত অতীজতে কেনেধৰণৰ ভাষা-চৰ্চা হৈছিল সেই বিষয়ে বহলাই আলোচনা কৰি সাম্প্ৰতিক সময়ত ভাষা-বিজ্ঞান চৰ্চা কেনেদৰে হৈ আছে সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে। আমি জানোঁ যে কোনো এটা ভাষাৰ বিভিন্ন ৰূপৰ প্ৰচলন থাকে আৰু সেইবোৰৰ মাজত কিছু মিল-অমিল পৰিলক্ষিত হয়। সমাজত প্ৰচলিত ভাষাৰ বিভিন্ন ৰূপ সম্পৰ্কে আমি পাঠ্যবিষয়খনৰ পঞ্চমটো অধ্যায়ত বহলাই সন্নিৱিষ্ট কৰিছোঁ।

ষষ্ঠ আৰু সপ্তম অধ্যায়টোৰ শিৰোনাম হ'ল — ভাষাৰ পৰিৱৰ্তন (১ আৰু ২)। ভাষাই কেনেদৰে পৰিৱৰ্তন লাভ কৰে, তাৰ কাৰণসমূহ; লগতে পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহৰ বিষয়ে এই অধ্যায়দুটাত আলোচনা দাঙি ধৰা হৈছে। এই খণ্ডটোৰ শেষৰটো অৰ্থাৎ পাঠ্যবিষয়ৰ অষ্টম অধ্যায়টোত ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাসমূহৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। ভাষা সদায় পৰিৱৰ্তনশীল। বিভিন্ন সময়ত বিভিন্ন কাৰণত পৰিৱৰ্তিত একোটা ভাষাক ভাষা-বিজ্ঞানীসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা, গুৰুত্ব আৰু প্ৰাসঙ্গিকতা স্বীকাৰ কৰি আহিছে আৰু সেয়েহে ভাষা অধ্যয়নৰ বিষয় আৰু পদ্ধতি অনুসৰি ভাষা-বিজ্ঞানক কিছুমান শাখাত বিভক্ত কৰা দেখা যায়। এই অধ্যায়টোত সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে। অধ্যায়টিৰ শিৰোনাম — ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়সমূহৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন পুথি অধ্যয়ন কৰিব পাৰিব।